**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 3-OCT.-2026
**Time :** 12.05 PM

**ASSAMESE 12.05 PM BULLETIN**

——————————————————————————————

১।	শিলচৰ পৌৰনিগম নিৰ্বাচনৰ ভোটগ্ৰহণ। ১৩৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয়।

২।	জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত ফাষ্টট্ৰেক আদালতত প্ৰবাসী অসমীয়া ৰূপকমল কলিতাৰ সাক্ষ্য প্ৰদান।

৩।	গোৱালপৰীয়া লোকগীতৰ প্ৰথিতযশা শিল্পী প্ৰতিমা বৰুৱা পাণ্ডেৰ জন্মদিনত শ্ৰদ্ধাৰ্ঘ্য নিবেদন।

আৰু

৪।	তিনিখনীয়া ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত আজি ভাৰত-ৱেষ্ট ইণ্ডিজৰ মুখামুখি।

oooooo

শিলচৰ পৌৰ নিগম নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া চলি আছে। বিয়লি চাৰি বজালৈ হ'বলগীয়া ভোটগ্ৰহণত ৪২ টা ৱাৰ্ডৰ বাবে মুঠ ১৩৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰা হ'ব। বিজেপিৰ মনোনীত প্ৰাৰ্থীয়ে ইতিমধ্যে দুটা ৱাৰ্ডত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। আমাৰ শিলচৰৰ সংবাদদাতাই জনোৱা মতে ৩০৩টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটদান প্ৰক্ৰিয়া চলি আছে।

ইফালে, ৰাজ্যিক নিৰ্বাচন আয়োগে আজি ভোটগ্ৰহণ কেন্দ্ৰৰ পৰা ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত পোষ্টাৰ, বেনাৰ, মাইক্ৰ'ফোন আদিৰ ব্যৱহাৰ ইতিমধ্যে নিষিদ্ধ কৰিছে। ভোটদাতা অহা-যোৱাৰ বাবে অনুমোদিত বাহনৰ বাহিৰে আন কোনো বাহন ব্যৱহাৰ কৰিব পৰা নাযাব বুলিও আয়োগে জানিবলৈ দিছে। উল্লেখযোগ্য যে, ভোটদান প্ৰক্ৰিয়া সুকলমে সম্পন্ন কৰাৰ বাবে প্ৰশাসনে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

oooooo

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত প্ৰবাসী অসমীয়াৰ সাক্ষ্য প্ৰদান অব্যাহত আছে। আজি প্ৰবাসী অসমীয়া ৰূপকমল কলিতাই ফাষ্টট্ৰেক আদালতত উপস্থিত হৈ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত সাক্ষ্য প্ৰদান কৰি আছে। উল্লেখযোগ্য যে ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত মুঠ ১১ গৰাকী প্ৰবাসী অসমীয়াৰ নাম সাক্ষীৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছিল। আজি অষ্টমগৰাকী প্ৰবাসী অসমীয়া ৰূপকমল কলিতাই ফাষ্টট্ৰেক আদালতত উপস্থিত হৈছে। বিয়লি পৰ্যন্ত তেওঁৰ সাক্ষ্য প্ৰদান আৰু অভিযুক্ত পক্ষৰ অধিবক্তাৰ দ্বাৰা জেৰাৰ সম্ভাৱনা আছে।

oooooo

দেশজুৰি কালিৰে পৰা ৮ অক্টোবৰলৈ ৰাষ্ট্ৰীয় বন্যপ্ৰাণী সপ্তাহ উপলক্ষে ভিন ভিন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। পৰিৱেশ আৰু বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি গুৱাহাটীৰ অসম ৰাজ্যিক চিৰিয়াখানা আৰু উদ্ভিদ উদ্যানত ৭২ সংখ্যক বন্যপ্ৰাণী সপ্তাহৰ কাৰ্যসূচী মুকলি কৰে। হস্তী পূজনেৰে আৰম্ভ হোৱা কাৰ্যসূচীৰ অংশ হিচাপে বন্যপ্ৰাণী সুৰক্ষাৰ বাৰ্তা লৈ চিৰিয়াখানাৰ বিষয়া-কৰ্মচাৰীসকলে পবিতৰা অভয়াৰণ্যলৈ সজাগতামূলক মটৰচাইকেল সমদল উলিয়াই। বন মন্ত্ৰীগৰাকীয়ে চিৰিয়াখানাত চলি থকা নিৰ্মাণ আৰু সংস্কাৰমূলক কাম-কাজৰ পৰ্যালোচনা কৰে। তেওঁ লগতে প্ৰায় ৩৪০ কোটি টকা ব্যয়েৰে ৰাজ্যিক চিৰিয়াখানাক বিশ্বমানৰ বন্যপ্ৰাণী পৰ্যটন কেন্দ্ৰলৈ ৰূপান্তৰৰ কাম দ্ৰুতগতিৰে চলি আছে বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে।

(বাইট)

৮ অক্টোবৰলৈ চলিবলগীয়া এই সপ্তাহজোৰা অনুষ্ঠানৰ সামৰণি কাৰ্যসূচী গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত হ'ব।

০০০০০০

নগাঁও লোকসভা সমষ্টিৰ সমাগত উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত আছে। শাসকীয় বিজেপিকে ধৰি বিৰোধী দলসমূহেও দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ৰাজহুৱা সভা, সমদল অনুষ্ঠিত কৰি ভোটদাতাসকলক আকৰ্ষণ কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি দলীয় প্ৰাৰ্থী দেৱাশীষ শৰ্মাৰ হৈ সমষ্টিটোৰ কেইবাটাও স্থানত প্ৰচাৰ চলায়। নগাঁও চহৰৰ পানীগাঁও চাৰিআলিৰ ডচন স্কুল খেলপথাৰ, ধিং বিধানসভা সমষ্টিৰ অন্তৰ্গত বেচামাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰ আৰু দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত তিনিখন নিৰ্বাচনী প্ৰচাৰ সভাত মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰে। মন্ত্ৰী কেশৱ মহন্ত, পীযুষ হাজৰিকা, জয়ন্ত মল্লবৰুৱা, বিমল বৰা, সাংসদ যোগন মহনেও এই সভাত অংশ লয়।

সাংসদ গৌৰৱ গগৈৰ লগতে অসম কংগ্ৰেছৰ তত্ত্বাৱধায়ক তথা চত্তিশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেলে কংগ্ৰেছ প্ৰাৰ্থী শিৱামণি বৰাৰ হৈ নিৰ্বাচনী সমদলত অংশগ্ৰহণ কৰে। একেদৰে বিধায়ক তথা এ আই ইউ ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলেও সমষ্টিটোৰ বিভিন্ন অঞ্চলত নিৰ্বাচনী প্ৰচাৰ চলাই আছে।

ইপিনে, নিৰ্বাচন মুক্ত, নিৰপেক্ষ আৰু শান্তি-শৃংখলাময় পৰিবেশত সম্পন্ন কৰাৰ অৰ্থে জিলা প্ৰশাসনে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। সমষ্টিটোৰ বিভিন্ন স্পৰ্শকাতৰ অঞ্চলসমূহত আৰক্ষী প্ৰশাসনৰ উচ্চস্তৰীয় বিষয়া আৰু অৰ্ধসামৰিক বাহিনীৰ ফ্লেগ মাৰ্চ অব্যাহত আছে।

০০০০০০

গোৱালপৰীয়া লোকগীতৰ প্ৰথিতযশা শিল্পী, পদ্মশ্ৰী সন্মানেৰে সন্মানিত প্ৰতিমা বৰুৱা পাণ্ডেৰ জন্মদিন উপলক্ষে আজি বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। ধুবুৰী জিলাৰ গৌৰীপুৰত প্ৰতিমা বৰুৱা পাণ্ডেৰ ওপজা দিন

উপলক্ষে স্মৃতিচাৰণ, সাংস্কৃতিক অনুষ্ঠান আৰু লোকসংগীতৰ কাৰ্যসূচীৰে শ্ৰদ্ধাঞ্জলি জনোৱা হৈছে। ধুবুৰী জিলা অসম সাহিত্য সভাইও দিনজোৱা কাৰ্যসূচীৰে শিল্পীগৰাকীৰ জন্মবাৰ্ষিকীৰ আয়োজন কৰিছে। জিলাখনৰ বিলাসীপাৰা আৰু চাপৰতো বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই গোৱালপৰীয়া লোকগীতৰ যশস্বী শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে শ্ৰদ্ধা নিবেদন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে প্ৰতিমা বৰুৱা পাণ্ডেই গোৱালপৰীয়া লোকগীতৰ সুৰত অসমৰ মাটি, মানুহ আৰু জীৱনৰ সজীৱ ছবি আঁকি থৈ গৈছে বুলি মন্তব্য কৰে। শিল্পীগৰাকীৰ কণ্ঠত মাটিৰ গোন্ধ, ব্ৰহ্মপুত্ৰৰ সোঁত আৰু জনজীৱনৰ সুখ-দুখৰ অজস্ৰ অনুভৱ পোৱা যায় বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে হস্তীৰ কন্যা হিচাপে খ্যাত শিল্পীগৰাকীয়ে লোকগীতক কেৱল গীত হিচাপে নহয়, বৰঞ্চ অসমৰ লোকজীৱন আৰু সংস্কৃতিৰ অমূল্য সম্পদ হিচাপে প্ৰতিষ্ঠা কৰি থৈ গৈছে। তেওঁৰ সুৰে প্ৰজন্মৰ পাছত প্ৰজন্মক আজিও সমৃদ্ধ কৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আজি দেশী-বিদেশী পৰ্যটকৰ বাবে পুনৰ মুকলি কৰা হয়। বন আৰু পৰিৱেশ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, মন্ত্ৰী অতুল বৰা আৰু কাজিৰঙাৰ সাংসদ কামাখ্যা প্ৰসাদ তাচাৰ উপস্থিতিত ২০২৬-২৭ পৰ্যটন বৰ্ষৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখনত জীপ ছাফাৰী আৰম্ভ কৰা হয়। মিহিমুখত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কাজিৰঙা উন্নয়ন আৰু জীপ চাফাৰী সন্থাৰ কাৰ্যালয়ৰ দুৱাৰ মুকলি কৰে। পুৱা চাৰে ৭ বজাৰ পৰা ১০ বজালৈ আৰু দিনৰ ডেৰ বজাৰ পৰা ৩ বজালৈ জীপ ছাফাৰীৰ সময় নিৰ্ধাৰণ কৰা হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত পৰিচ্ছন্ন আৰু সেউজ অসম গঢ়াৰ দিশত স্বচ্ছ ভাৰত অভিযানৰ ভূমিকা বিষয়ত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব স্বচ্ছ ভাৰত মিছন গ্ৰামীণৰ ৰাজ্যিক গোটা আৰু তৰল আৱৰ্জনা ব্যৱস্থাপনা বিশেষজ্ঞ ডঃ দীপম পাটোৱাৰীয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব পৰিস্মিতা দিহিঙিয়াই।

০০০০০০

তিনিখনীয়া একদিনীয়া ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত ভাৰত আজি ৱেষ্ট ইণ্ডিজৰ মুখামুখি হ'ব। নতুন চণ্ডিগড়ৰ মহাৰাজ যাদবিন্দ্ৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া খেলখন দুপৰীয়া দুই বজাত আৰম্ভ হ'ব। ভাৰতে ইতিমধ্যে তিনিখনীয়া শৃংখলাটোত দুখনত জয়লাভ কৰিছে।

০০০০০০

জাপানৰ আইচি নাগ'য়াত অনুষ্ঠিত এছিয়ান গেমছত আৰ্চাৰীৰ মহিলাৰ ব্যক্তিগত ৰিকাৰ্ভ শিতানত ভাৰতৰ কুমকুম মোহড়ে সোণৰ পদক জয় কৰিছে। কুমকুমে ফাইনেলত দক্ষিণ কোৰিয়াৰ অহ য়েজিনক পৰাস্ত কৰে। ইয়াৰ লগে লগে প্ৰতিযোগিতাত ভাৰতৰ সোণৰ পদকৰ সংখ্যা ১৭ লৈ বৃদ্ধি পালে।

ভাৰতীয় এথলীটসকলে চতুৰ্দশ দিনাও বক্সিং, মল্লযুঁজ আৰু আৰ্চাৰীত নিজৰ দক্ষতা, দৃঢ়তা আৰু ক্ৰীড়াশৈলীৰ সুন্দৰ প্ৰদৰ্শনৰ ধাৰা অব্যাহত ৰাখে।

ইপিনে ভাৰতীয় মহিলা হকী দলে কালি ফাইনেলত চীনক ১-০ গ'লত পৰাস্ত কৰি সোণৰ পদক লাভ কৰে।

ভাৰতীয় মল্লযুঁজাৰু সুজিৎ কালকালে পুৰুষৰ ৬৫ কিলোগ্ৰাম ফ্ৰী ষ্টাইল ইভেণ্টত স্বৰ্ণ জয় কৰে। বক্সিঙত পাৰবীন হুদাই মহিলাৰ ৬৫ কিলোগ্ৰাম শাখাত সোণৰ পদক লাভ কৰাৰ বিপৰীতে অংকুশ পাংঘালে পুৰুষৰ ৮০ কিলোগ্ৰাম শাখাত দক্ষিণ কোৰিয়াৰ প্ৰতিদ্বন্দ্বীক হৰুৱাই সোণৰ পদক লাভ কৰে।

ইয়াৰ পূৰ্বে লাভলীনা বৰগোহাঁয়ে মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাত সোণৰ পদক অৰ্জন কৰি ইতিহাস ৰচনা কৰে।

একেদৰে, ভাৰতৰ মহিলা আৰ্চাৰী দলে কালি ৰিকাৰ্ভ শাখাৰ দলীয় শিতানত সোণৰ পদক লাভ কৰে। এছিয়ান গেমছৰ ইতিহাসত মহিলাৰ ৰিকাৰ্ভ শাখাৰ দলীয় শিতানত এয়া ভাৰতৰ প্ৰথমটো স্বৰ্ণপদক।

ভাৰত এছিয়ান গেমছত বৰ্তমানলৈকে ১৭টা সোণ, ২৫টা ৰূপ আৰু ৩৫টা ব্ৰঞ্জসহ মুঠ ৭৭টা পদেকেৰে তালিকাৰ পঞ্চম স্থানত আছে।

০০০০০০

**সমাপ্ত**